# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) __________________________
   (Name) ____________________________
2. (Signature) __________________________
   (Name) ____________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.________________________________
(In words)

**J 3 6 1 2**

Time : 2 $^1/_2$ hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **20**

Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** (A) (B) ● (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** (A) (B) ● (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**

## ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(75) (পয়সত্তৰ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **(2) দুই** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

**1.** "বামুনীৰ পো হে টোকৰ মাইলা, বেল শিৰত নপৈল, ভক্তিপৰ হ'ল ৰছ (হ্ৰস্ব), যুদ্ধত কৈলা দূঘ (দীৰ্ঘ)"

বামুনীৰ পুতেক কোন ?

(A) অনন্ত কন্দলি (B) দামোদৰ দেৱ

(C) মাধৱ কন্দলি (D) মাধৱদেৱ

**2.** "হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা ।"

এই পদফাকিৰ ৰচয়িতা কোন ?

(A) মাধৱ কন্দলি (B) শঙ্কৰদেৱ

(C) অনন্ত কন্দলি (D) ৰামসৰস্বতী

**3.** মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ১৯১৬চনত 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা' নাম দি প্ৰকাশ কৰা গ্ৰন্থখন শাস্ত্ৰীয়ে নেপালৰ দৰবাৰ গ্ৰন্থাগাৰৰ পৰা সংগ্ৰহ কৰি অনা কেইখন পুথিৰ একত্ৰ প্ৰকাশ ?

(A) দুখন (B) তিনিখন

(C) চাৰিখন (D) পাঁচখন

**4.** মহাভাৰতত বৰ্ণিত তিনিটা সৰ্বভাৰতীয় ডাঙৰ ঘটনা ৰাজসূয় যজ্ঞৰ বাবে অৰ্জুনৰ দিগ্‌বিজয়, কুৰুক্ষেত্ৰৰ যুদ্ধ আৰু পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ সম্পৰ্কত প্ৰাগজ্যোতিষৰ অতি বিশদ বৰ্ণনা আছে । এই সূত্ৰে তলত নাম দিয়া মহাভাৰতৰ পৰ্ব চাৰিটাৰ মাজৰ তিনিটা পৰ্বত 'প্ৰাগজ্যোতিষ' নামটোৰ উল্লেখ পোৱা যায় । 'প্ৰাগজ্যোতিষ' নামটোৰ উল্লেখ নথকা পৰ্বটোৰ নাম বাছি উলিওৱা ।

(A) সভাপৰ্ব

(B) ভীষ্মপৰ্ব

(C) দ্ৰোণপৰ্ব

(D) অশ্বমেধ পৰ্ব

**5.** নিজ পুত্ৰৰ বসন্ত ৰোগ হোৱাত গোপনে শীতলা দেবীৰ পূজা কৰা কথা জানি শঙ্কৰদেৱে কোনজন শিষ্যক পন্থৰ পৰা উলিয়াই দিছিল ?

(A) মুকুন্দ

(B) ব্যাসকলাই

(C) মুৰাৰি

(D) হৰিদাস বনিয়া

**6.** শঙ্কৰদেৱে 'ভাগৱত পুৰানৰ দ্বিতীয় স্কন্ধত' কিৰাত, কছাৰী, খাসি, গাৰো, মিৰি, য়ৱন, কঙ্ক, গোৱাল, অসম, মুলুক, ৰজক, তুৰুক, কুবাচ, ম্লেচ, চণ্ডাল আদি জাতিৰ নাম উল্লেখ কৰিছে ।

এই নামবোৰৰ মাজত সাম্প্রতিক কালৰ আহোম সকলক বুজোৱা নাম কোনটো ?

(A) কিৰাত

(B) কছাৰী

(C) অসম

(D) মুলুক

**7.** কাৰ্বিৰ চিথক আপিৰ, গাৰোৰ গটক'ৰানিবাৰা, ৰাভাৰ পাজাৰ, তিৱাৰ ফালি, বৰোৰ আৰনাই – আচলতে একেধৰনৰ এখনি বস্ত্ৰৰ নাম । এইখনি কি ধৰনৰ বস্ত্ৰ ?

(A) চেলেং

(B) কবচ

(C) গলবন্ধা

(D) ধুতি

**8.** বিষ্ণুপ্রসাদ ৰাভা আৰু ড' ভূপেন হাজৰিকাৰ যৌথ ৰচনাত প্ৰকাশ পোৱা গীতৰ পুথিখনৰ নাম কি ?

(A) মুক্তি দেউল

(B) সুৰৰ দেউল

(C) গীতাৱলি

(D) আগলি বাহঁৰে লাহৰী গগনা

**9.** তলত নাম দিয়া কোনগৰাকী অসমীয়া সাহিত্যিক জ্ঞানপীঠ বঁটা, অসম সাহিত্য সভা বঁটা, ভাৰত নিৰ্মাণ বঁটা, সৌহাৰ্দ্য বঁটা, কমল কুমাৰী বঁটা, মহীয়সী জয়মতী বঁটা, কৃষ্ণকান্ত মন্দিকৈ বঁটা, এছিয়াটিক ছ'চাইটিৰ ইশ্বৰচন্দ্ৰ বিদ্যাসাগৰ সোনৰ ফলক, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম সংহতি বঁটা, নেদাৰলেণ্ডৰ 'প্ৰিন্স ক্লজ' বঁটাৰে সন্মানিত হৈছিল ।

(A) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

(B) আব্দুল মালিক

(C) মামনি ৰয়ছম গোস্বামী

(D) ড' ভূপেন হাজৰিকা

**10.** শ্বেক্সপীয়েৰৰ 'এজ্ হউ লাইক ইট' নামৰ নাটকখনৰ ছাঁ. লৈ লেখা এই নাটকখনৰ কেবাঠাইতো লেখকে আৱশ্যকমতে নিজৰ ভাব মিহলাই দিছে । ইয়াত মূল নাটকৰ ডিউক চিনিয়ৰৰ সলনি ধৰ্মপাল, ফ্ৰেদেৰিকৰ সলনি বিশ্বপাল, ৰজালিণ্ডৰ সলনি চন্দ্ৰাৱলী, চিলিয়াৰ সলনি হেমাজ্ঞলী, এলিয়ানাৰ সলনি মেনকা চৰিত্ৰৰ সৃষ্টি কৰিছে ।

এই নাটকখনিৰ নামটো বাছি উলিওৱা ।

(A) দুৰ্গেশ্বৰ শৰ্মাৰ 'চন্দ্ৰাৱলী'

(B) নবীনচন্দ্ৰ বৰদলৈৰ 'বিষাদ-কাহিনী'

(C) পদ্মধৰ চলিহাৰ 'অমৰ-লীলা'

(D) অতুলচন্দ্ৰ হাজৰিকাৰ 'বনিজ কোঁৱৰ'

**11.** ইয়াত এবিধ প্ৰত্যয়ৰ কথা কোৱা হৈছে । কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ এইবিধ প্ৰত্যয় ব্যৱহাৰ হয় । এই প্ৰত্যয়বোৰ বিশেষ্য, বিশেষন আৰু সংখ্যাবাচক শব্দৰ উপৰি প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে কিছুমান সৰ্বনামৰ পাছতো যোগ হয় । এই প্ৰত্যয়বিধৰ নাম কি ?

(A) স্বাৰ্থিক (B) অনিৰ্দিষ্টতাৱাচক

(C) নিৰ্দিষ্টতাৱাচক (D) তদ্ধিত

**12.** আলজেৰিয়াত জন্ম গ্ৰহন কৰা ফৰাছী বুদ্ধিজীৱী জাক ডেৰিকা (১৯৩০-২০০৪) তলৰ কোনটো দৰ্শন সম্প্ৰদায়ৰ স্ৰষ্টা হিচাপে বিখ্যাত ?

(A) উত্তৰ – আধুনিকতাবাদ (Post-modernism)

(B) উত্তৰ – গঠনবাদ (Post-structuralism)

(C) উত্তৰ – উপনিৱেশিকতাবাদ (Post-colonialism)

(D) বিনিৰ্মাণ তত্ব (Deconstruction Theory)

**13.** কোনো বস্তুত অসম্ভৱ ধৰ্ম নাইবা কাৰ্য কল্পনা কৰাকে নিদৰ্শনা অলংকাৰ বোলে । এই সুত্ৰৰ ভিত্তিত তলৰ চাৰিটা উদাহৰনৰ মাজৰ পৰা নিদৰ্শনা অলংকাৰৰ উদাহৰনটো বাছি উলিওৱা ।

(A) মৌপিয়া চতকে পৰ্বত লস তুলি ।
ঢোল হেন ডিমা পাৰ চুডাৰ বাদুলি।।

(B) গোপী বোলে উপকাৰ কৰি আছ ভাল ।
কিমক জকাইলা মোৰ নিদ্ৰাৰ ছৱাল।।

(C) চন্দনৰ লেপে কৰে শৰীৰ শীতল ।
মই দেখো তাপ কৰে যেমত অনল ।।

(D) উষাৰ বদনে পূৰ্ণ চন্দ্ৰক জিনয় ।

**14.** ঘিবোৰ গীতত এটা কাহিনী বিবৃত কৰা হয় সেইবোৰক বেলাড বুলি কোৱা হয় । এই সুত্ৰেৰে তলৰ কোনবিধ গীতক বেলাড বুলিব পাৰি ?

(A) বনঘোষা

(B) নিচুকনি গীত

(C) ফুলকোঁৱৰ-মনিকোঁৱৰৰ গীত

(D) দেহবিচাৰৰ গীত

**15.** তলৰ চাৰিশ্ৰেণী শব্দৰ কোন শ্ৰেণী শব্দ পৰ্তুগীজ ভাষাৰ পৰা আহিছে ?

(A) পুং, পাং, বুৰঞ্জী, কাৰেং, আংমৰা

(B) আমিৰ, উজিৰ, নবাব, দেৱান, জমিদাৰ

(C) বুটাম, পাউৰুটি, গিৰ্জা, মিস্ত্ৰী, আলমাৰী

(D) মাষ্টৰ, নিব, টেবুল, বাল্ব, বাকচ

**16.** তলত দিয়া চাৰিটা উদাহৰণৰ মাজৰ কৰা জটিল বাক্যৰ উদাহৰণটো বাছি উলিওৱা ।

(A) কিহৰ পৰা মানুহৰ কৃপনালি জন্মে তাক থাৰৱকৈ কোৱাটান ।

(B) সি যি হওক, ৰাধাকৃষ্ণবাদ চৈতন্যদেৱৰ আগৰ পৰা যি ভাবে বঙ্গদেশত চলি অহিছিল, সি বৌদ্ধ আৰু হিন্দুধৰ্মৰ নিগূঢ় সংঘৰ্ষৰ পৰা উদ্ভূত হৈছিল আৰু চৈতন্যদেৱে জয়দেৱ-চণ্ডীদাস সকলৰ সহজ ভাৱকেই নিজ সাধনাৰ জীৱনত আধ্যাত্মিক ৰহস্যৰ চৰম সীমালৈ লৈ গৈছিল ।

(C) সকলো যেন গাম্ভীৰ্য আৰু ৰহস্যৰে আচ্ছন্ন ।

(D) এই দুটি পিতৃ-মাতৃহীন শিশুক ফুকন আৰু ফুকননীয়ে তেওঁবিলাকৰ সমুদায় বস্তুৰে সৈতে ঘৰলৈ আনিলে আৰু জয়মতী নামে এটি বিধৱা ব্ৰাহ্মনী আৰু কনিকী নামে এজনী দাসী সেই দুই শিশুৰ লগত আহিল ।

**17.** তলৰ কোনজন অনুবাদকে ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলি' অসমীয়ালৈ অনুবাদ কৰিছে ?

(A) আনন্দচন্দ্ৰ আগৰৱালা

(B) আনন্দচন্দ্ৰ বৰুৱা

(C) নৰকান্ত বৰুৱা

(D) হোমেশ্বৰ দিহিঙ্গীয়া

**18.** ভাৰতবৰ্ষত আধুনিক তুলনামূলক সাহিত্যৰ পঠন-পাঠনৰ দিশত বিশ্ববিদ্যালয় স্তৰত পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা বিশ্ববিদ্যালয় কোনখন ?

(A) কলিকতা বিশ্ববিদ্যালয়

(B) বৰ্ধমান বিশ্ববিদ্যালয়

(C) যাদৱপুৰ বিশ্ববিদ্যালয়

(D) ৰবীন্দ্ৰভাৰতী বিশ্ববিদ্যালয়

**19.** বামুনীয়া, গড়গঞা, কাইথেলী আৰু লহকৰী- মধ্যযুগত এই চাৰিটা প্ৰকাৰভেদ পোৱা অসমীয়া লিপিৰ উদ্ভৱ তলৰ কোনটো লিপিৰ পৰা হৈছিল ?

(A) কুটিল (B) নাগৰী

(C) শাৰদা (D) ফাৰ্চী-আৰবী

**20.** প্ৰত্ন ভাৰতীয় আৰ্যস্তৰৰ ভাষাৰ পৰিৱৰ্তন হৈ খ্ৰীষ্টিয় প্ৰথমৰ পৰা ৬০০ খ্ৰীস্টাব্দলৈ এই সময়ছোৱাত মধ্য-ভাৰতীয় আৰ্যভাষাৰ সৃষ্টি হয় । এই স্তৰৰ ভাষাৰ তলৰ কোনটো প্ৰকাৰৰ পৰা অসমীয়া, বঙলা, ওড়িয়া আদি পূৰ্ব ভাৰতৰ ভাষাসমূহৰ উদ্ভৱ হৈছিল ?

(A) মহাৰাষ্ট্ৰী (B) শৌৰসেনী

(C) মাগধী (D) পৈশাচী

**21** ৰ পৰা **35** লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C, D এই চাৰিটা বিকল্প দিয়া হৈছে । তাৰে মাজৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**21.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) পদ ৰামায়ণ | (i) অনন্ত ঠাকুৰ আতা |
| (b) কথা ৰামায়ন | (ii) দুৰ্গাবৰ |
| (c) গীতি ৰামায়ন | (iii) ৰঘুনাথ মহন্ত |
| (d) কীৰ্তনীয়া ৰামায়ন | (iv) অনন্ত কন্দলি |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (iv) | (iii) | (ii) | (i) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (iv) | (i) | (iii) | (ii) |

**22.**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) 'একান্ত নিৰ্জন' | (i) নগেন শইকীয়া |
| (b) 'বতাহত ক'ৰ গধূলি গোপাল' | (ii) বীৰেশ্বৰ বৰুৱা |
| (c) 'ধূলিৰ ধেমালি' | (iii) যুগল দাস |
| (d) 'ৰণথলী' | (iv) হীৰেন গোঁহাই |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (i) | (ii) | (iv) | (iii) |
| (C) | (iii) | (i) | (iv) | (ii) |
| (D) | (i) | (iii) | (ii) | (iv) |

**23.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) নিকা সংহতি (i) পুৰুষোত্তম ঠাকুৰ

(b) কাল সংহতি (ii) দামোদৰ দেৱ

(c) পুৰুষ সংহতি (iii) গোপাল আতা

(d) ব্ৰহ্মসংহতি (iv) মথুৰাদাস বুঢ়া আতা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (i) | (iv) | (iii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (i) | (iv) | (ii) | (iii) |
| (D) | (iv) | (iii) | (i) | (ii) |

**24.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) নাৰায়ণপুৰ (i) বদুলাআতা

(b) আলিপুখুৰী (ii) মাধৱদেৱ

(c) পাটবাউসী (iii) হৰিদেৱ

(d) পাতেকীবাৰী (iv) অনিৰুদ্ধদেৱ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (iii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (i) | (i) | (i) | (i) |
| (D) | (iv) | (iii) | (ii) | (i) |

**25.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) কেয়ূৰ (i) কঁকাল

(b) কৰধনি (ii) হাত

(c) কঙ্কন (iii) ভৰি

(d) জুনুকা (iv) কান

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (iv) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iv) | (ii) | (i) | (iii) |
| (D) | (iii) | (i) | (ii) | (iv) |

**26.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) সুপ্ৰভা (i) ইয়াৰুইঙ্গম

(b) তৰা (ii) জীৱনৰ বাটত

(c) খুটিংলা (iii) সুৰুযমুখীৰ স্বপ্ন

(d) য়ামা (iv) মৌন ওঁঠ মুখৰ হৃদয়

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (ii) | (i) | (iv) |
| (B) | (iv) | (i) | (iv) | (ii) |
| (C) | (ii) | (iii) | (i) | (iv) |
| (D) | (i) | (ii) | (iii) | (iv) |

**27.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) পাঞ্চজন্য (i) অৰ্জুন

(b) দেৱদত্ত (ii) যুধিষ্ঠিৰ

(c) অনন্ত (iii) ভীম

(d) পৌন্দ্ৰক (iv) শ্ৰীকৃষ্ণ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (iv) | (i) | (ii) | (iii) |
| (C) | (i) | (iii) | (ii) | (iv) |
| (D) | (iii) | (ii) | (iv) | (i) |

**28.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

(a) ফন্দি + অক (i) কৃৎপ্ৰত্যয়

(b) খা + অন (ii) স্বাৰ্থিক প্ৰত্যয়

(c) পোনাকণ (iii) তদ্ধিত প্ৰত্যয়

(d) কোৰাচোন (iv) নিৰ্দিষ্টতাবাচক প্ৰত্যয়

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iii) | (ii) | (iv) |
| (B) | (iii) | (i) | (iv) | (ii) |
| (C) | (iv) | (ii) | (iii) | (i) |
| (D) | (ii) | (i) | (iv) | (iii) |

**29.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ৰামবিজয় | (i) জন্মপুৰাণ |
| (b) জন্মৰহস্য | (ii) ৰামায়ণ |
| (c) ৰাজসূয় | (iii) একাদশস্কন্ধ ভাগৱত |
| (d) কুৰুক্ষেত্ৰ | (iv) দশমস্কন্ধ ভাগৱত আৰু সভাপৰ্ব (মহাভাৰত) |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (i) | (iv) | (iii) |
| (B) | (ii) | (iii) | (i) | (iv) |
| (C) | (i) | (ii) | (iii) | (iv) |
| (D) | (iv) | (iii) | (ii) | (i) |

**30.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) 'অসমীয়া সমাজ আৰু সংস্কৃতি' | (i) লীলা গগৈ |
| (b) 'অসমৰ সংস্কৃতি' | (ii) সৰ্বেশ্বৰ ৰাজগুৰু |
| (c) 'অসমীয়া ভাষা আৰু সংস্কৃতি' | (iii) প্ৰফুল্লদত্ত গোস্বামী |
| (d) 'সাহিত্য, সংস্কৃতি, ইতিহাস' | (iv) বিৰিঞ্চিকুমাৰ বৰুৱা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (ii) | (iii) |
| (B) | (iii) | (i) | (ii) | (iv) |
| (C) | (ii) | (i) | (iv) | (iii) |
| (D) | (iv) | (iii) | (i) | (ii) |

**31.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ফুলশয্যা | (i) শৈলধৰ ৰাজখোৱা |
| (b) নাৰৱীয়া | (ii) চন্দ্ৰকুমাৰ আগৰৱালা |
| (c) পাষাণ প্ৰতিমা | (iii) ৰঘুনাথ চৌধাৰী |
| (d) প্ৰকৃতি | (iv) যতীন্দ্ৰনাথ দুৱৰা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iii) | (ii) | (iv) |
| (B) | (iv) | (ii) | (i) | (iii) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (iii) | (iv) | (i) | (ii) |

**32.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) লক্ষ্মীনাথ ফুকন | (i) মিঞা মনচুৰ |
| (b) অনিমা দত্ত | (ii) কলপটুৱাৰ মৃত্যু |
| (c) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | (iii) মেধি |
| (d) যোগেশ দাস | (iv) অৱগাহন |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iv) | (i) | (iii) | (ii) |
| (D) | (ii) | (iv) | (i) | (iii) |

33. 'ক' স্তম্ভ 'খ' স্তম্ভ

(a) চিত্ৰলেখা (i) কাৰেঙৰ লিগিৰী

(b) জুনাফা (ii) শোনিও কুঁৱৰী

(c) বপুৰা (iii) লাভতা

(d) গোলাপ (iv) ৰূপালীম

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (iii) | (iv) | (ii) | (i) |
| (C) | (ii) | (iv) | (i) | (iii) |
| (D) | (iv) | (ii) | (iii) | (i) |

34. 'ক' স্তম্ভ 'খ' স্তম্ভ

(a) অদাহ্য (i) ড° ভবেন্দ্ৰনাথ শইকীয়া

(b) চামেলি মেমচাব (ii) মামনি ৰয়চম গোস্বামী

(c) গঙাচিলনীৰ পাখি (iii) নিৰোদ চৌধুৰী

(d) অগ্নিস্নান (iv) লক্ষ্মীনন্দন বৰা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (ii) | (iii) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iii) | (i) | (ii) | (iv) |
| (D) | (iii) | (iv) | (ii) | (i) |

35. 'ক' স্তম্ভ 'খ' স্তম্ভ

(a) মিঠা মিঠা বহাগৰ গীতএটি ৰচোঁবুলি ভাবিলো (i) ড° ভূপেন হাজৰিকা

(b) নিয়ঁৰৰে ফুল এপাহ ফুলিল এপাহ সৰিল কেনি (ii) নিৰ্মলপ্ৰভা বৰদলৈ

(c) সৌ সীমাৰ সিপাৰে দৃষ্টি আসাৰ মাজত তৃষাৰে নৈ (iii) মুকুল বৰুৱা

(d) নতুন নিমাতি নিয়ৰবে নিশা জীৱন জিলিকা জোনাকৰে নিশা (iv) নৱকান্ত বৰুৱা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (iii) |
| (B) | (ii) | (iv) | (i) | (iii) |
| (C) | (iii) | (i) | (iv) | (ii) |
| (D) | (iii) | (iv) | (ii) | (i) |

তলৰ **36** ৰ পৰা **50** লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / পুথি / লেখক / নৃগোষ্ঠী / ঘটনা আদিৰ সৈতে জড়িত উল্লেখযোগ্য সময় অনুসৰি ঐতিহাসিক ক্ৰমত তালিকাবদ্ধ কৰি A, B, C আৰু D চাৰিটা বিকল্প গোট কৰা হৈছে । তাৰ মাজৰ পৰা শুদ্ধ গোটটো বাছি উলিওৱা ।

36. (i) ৰুক্মিনীহৰণ কাব্য

(ii) ৰুক্মিনীহৰণ নাট

(iii) ৰামবিজয় নাট

(iv) অনাদি পাতন

| | | | | |
|---|---|---|---|---|
| (A) | (iv) | (i) | (iii) | (ii) |
| (B) | (ii) | (i) | (iv) | (iii) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (iii) | (iv) | (i) | (ii) |

**37.** (i) ৰাজেশ্বৰ সিংহ

(ii) জয়ধ্বজ সিংহ

(iii) ৰুদ্ৰসিংহ

(iv) চন্দ্ৰকান্ত সিংহ

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (iii) | (ii) | (i) | (iv) |

**38.** (i) আনন্দৰাম ঢেকিয়াল ফুকন

(ii) এ.কে.গাৰ্নী

(iii) নাথান ব্ৰাউন

(iv) মাইলচ ব্ৰনছন

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (iv) | (i) |
| (B) | (iii) | (iv) | (i) | (ii) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (iii) | (ii) | (i) | (iv) |

**39.** (i) ল'ৰা বন্ধু

(ii) আসাম বিলাসিনী

(iii) আসাম তৰা

(iv) আসাম নিউচ

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (iii) | (i) |
| (B) | (i) | (iv) | (ii) | (iii) |
| (C) | (ii) | (iv) | (i) | (iii) |
| (D) | (ii) | (i) | (iv) | (iii) |

**40.** (i) ফণী শৰ্মা

(ii) ড' ভূপেন হাজৰিকা

(iii) বিষ্ণুপ্ৰসাদ ৰাভা

(iv) জ্যোতিপ্ৰসাদ আগৰৱালা

| | | | | |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (iv) | (iii) | (i) | (ii) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (iv) | (ii) | (i) | (iii) |

**41.** (i) মিৰি জীয়ৰী

(ii) পদুম কুঁৱৰী

(iii) ভানুমতী

(iv) সাধনা

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (iv) | (ii) | (iii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (ii) | (ii) | (i) | (iii) |
| (D) | (iii) | (i) | (ii) | (iv) |

**42.** (i) প্ৰতিধ্বনি

(ii) চিক্‌মিক্ বিজুলী

(iii) এৰাবাটৰ সুৰ

(iv) মন প্ৰজাপতি

| | | | | |
|---|---|---|---|---|
| (A) | (iii) | (i) | (ii) | (iv) |
| (B) | (ii) | (i) | (iii) | (iv) |
| (C) | (iii) | (ii) | (iv) | (i) |
| (D) | (i) | (iv) | (iii) | (ii) |

**43.** (i) সোনালী জাহাজ

(ii) বিভিন্ন দিন আৰু ঋতু

(iii) অলকানন্দা

(iv) বনফুল

| | | | | |
|---|---|---|---|---|
| (A) | (iv) | (iii) | (i) | (ii) |
| (B) | (iii) | (i) | (iv) | (ii) |
| (C) | (ii) | (iii) | (iv) | (i) |
| (D) | (iv) | (ii) | (iii) | (i) |

**44.** (i) হেমচন্দ্ৰ গোস্বামী

(ii) পদ্মনাথ গোহাঞিবৰুৱা

(iii) লক্ষ্মীনাথ বেজবৰুৱা

(iv) মফিজুদ্দিন আহমদ হাজৰিকা

(অসম সাহিত্য সভাৰ সভাপতিত্ব গ্ৰহনৰ ক্ৰমত)

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (iv) | (iii) | (ii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (ii) | (i) | (iii) | (iv) |
| (D) | (i) | (ii) | (iii) | (iv) |

**45.** (i) শিৱসাগৰ নাট্য – মঞ্চ

(ii) তেজপুৰ নাট্য – মঞ্চ

(iii) গুৱাহাটী নাট্য – মঞ্চ

(iv) নগাঁও নাট্য – মঞ্চ

| | | | | |
|---|---|---|---|---|
| (A) | (iii) | (ii) | (i) | (iv) |
| (B) | (iv) | (i) | (ii) | (iii) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (ii) | (i) | (iii) | (iv) |

**46.** (i) আহাৰ

(ii) বৰুৱাৰ সংসাৰ

(iii) মগৰীবৰ আজান

(iv) সৰাগুৰি চাপৰি

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (iii) | (i) |
| (B) | (ii) | (i) | (iv) | (iii) |
| (C) | (iii) | (ii) | (iv) | (ii) |
| (D) | (iv) | (i) | (ii) | (iii) |

**47.** (i) অসমীয়া কবিতাৰ ছন্দ

(ii) সাহিত্য বিদ্যা পৰিক্ৰম

(iii) অসমীয়া ছন্দ শিল্পৰ ভূমিকা

(iv) সাহিত্য দৰ্শন

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (iii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (i) | (iii) | (ii) | (iv) |
| (D) | (ii) | (iii) | (iv) | (i) |

**48.** (i) কপলিং ছিগা ৰেল

(ii) অৰ্দ্ধং ত্যজতি পণ্ডিত:

(iii) উকীলৰ জন্ম ৰহস্য

(iv) কৃপাবৰ বৰুৱাৰ ওভতনি

| | | | | |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (iv) | (ii) | (iv) | (i) |
| (C) | (iv) | (iii) | (i) | (ii) |
| (D) | (iii) | (ii) | (i) | (iv) |

**49.** (i) মাধৱ কন্দলি ৰামায়ণ

(ii) কৃত্তিবাসী ৰামায়ণ

(iii) কম্ব ৰামায়ণ

(iv) তুলসীদাসী ৰামায়ণ

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (iv) | (ii) | (iii) |
| (B) | (iii) | (i) | (ii) | (iv) |
| (C) | (iii) | (iv) | (i) | (ii) |
| (D) | (iv) | (i) | (ii) | (iii) |

50. (i) শংকৰদেৱ

(ii) সূৰ্যবৰ

(iii) কুসুম্বৰ

(iv) ৰাজধৰ

(A) (iii) (ii) (i) (iv)
(B) (iv) (ii) (iii) (i)
(C) (i) (iii) (ii) (iv)
(D) (ii) (iv) (iii) (i)

তলৰ **51** ৰ পৰা **65** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষন কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প মন্তব্য দিয়া হৈছে । তাৰ মাজৰ পৰা তুমি শুদ্ধ বুলি ভবা মতটো বাছি উলিওৱা ।

51. ইউৰোপৰ লেটিন, গ্ৰীক, ইংৰাজী, জাৰ্ম্মান আদি ভাষাসমূহ অসমীয়া ভাষাৰ দূৰ সম্পৰ্কীয় । কাৰন –

(A) লেটিন, গ্ৰীক, ইংৰাজী, জাৰ্ম্মান ভাষাৰ প্ৰচুৰ শব্দ অসমীয়া ভাষাতো ব্যৱহাৰ হয় ।

(B) অসমীয়া ভাষা ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ ইন্দো-ইৰানীয় শাখাৰ আৰ্য উপশাখাৰ ভিতৰুৱা ।

(C) গ্ৰীক, ইংৰাজী, জাৰ্ম্মান আদি ভাষাত ৰচিত ভালেমান সাহিত্য অসমীয়া ভাষালৈ অনূদিত হৈছে ।

(D) ৰাজনৈতিকভাবে অসময়ত ইংৰাজসকলে অসম ৰাজ্য শাসন কৰিছিল ।

52. “ৰাজহংস দেখা সীতা তোমাৰ গমন ।
চক্ৰবাক যুগল তোমাৰ দুই তন ।।
কলহংস ৰবে কান্দি নূপুৰৰ নাদ ।
বদন কমল তোৰ দেখাত আহ্লাদ ।।
বদন উপৰে তোৰ নয়ন যুগল ।
খঞ্জন দুতয় যেন চলয় কমল ।।”

(ৰামায়ণ-মাধৱ কন্দলী)

(A) ৰাজহংস, চক্ৰবাক, খঞ্জন আদি পক্ষীৰ গমন, কলধ্বনি, অথবা বদন সীতাৰ গমন, স্বৰ আৰু শৰীৰৰ নিচিনা ।

(B) ৰাজহংস, চক্ৰবাক, খঞ্জন আদি পক্ষীসমূহ সীতাৰ অতি প্ৰিয় পক্ষী । সীতাই সেয়েহে এই পক্ষীসমূহৰ ভঙ্গী অনুসৰণ কৰিছিল ।

(C) সীতাৰ গমন ৰাজহংসৰ গমনৰ দৰে ।
সীতাৰ দুয়ো স্তন যেন চক্ৰবাক যুগলহে ।
তেওঁৰ ভৰিৰ নূপুৰৰ ধ্বনি যেন পক্ষীৰ কলকাকলিহে । সীতাৰ চকুদুটিৰ ভঙ্গীও খঞ্জন পক্ষীৰ চালচলনৰ দৰে ।

(D) চোৱাঁ সীতা, সৌজনী ৰাজহাঁহ, সৌদুটি চক্ৰবাক পক্ষী । সিহঁতে ভৰিত নূপুৰ পিন্ধি মুখেৰে গীত গাই নাচি আছে । খঞ্জন পখীয়েও নাচি নাচি তাতে সমানে তাল দিছে ।

**53.** আৰ্যভিন্ন ভাষাৰ সমুদ্ৰত অসমীয়া ভাষা এটা ক্ষুদ্ৰ দ্বীপ ।

(A) ভাৰতবৰ্ষত ভাষাৰ সংখ্যা অধিক । সেয়েহে এইবোৰ ভাষাক এখন 'মহাদেশৰ' সৈতে তুলনা কৰিব পাৰি । অসমীয়া তাৰে মাজত এটি ক্ষুদ্ৰ ভাষা, সেয়েহে ইয়াক এটি ক্ষুদ্ৰ দ্বীপ বুলিব পাৰি ।

(B) ভাৰতবৰ্ষত আৰ্যভিন্ন ভাষাৰ সংখ্যাই অধিক । এই বিশাল ভাষা সমুদ্ৰত অসমীয়া ভাষা যেন এটি ক্ষুদ্ৰ দ্বীপ ।

(C) অসম ভৌগোলিকভাবে মূল্য আৰ্যাৱৰ্তৰ পৰা নিলগত আছে । সেয়েহে অসমীয়া ভাষাকো নিলগতীয়া এটি দ্বীপ বুলি কোৱা হৈছে ।

(D) উত্তৰপূব ভাৰতত তিব্বত-ধৰ্মীয় গোষ্ঠীৰ ভাষাসমূহে অসমীয়া ভাষাক আগুৰি আছে । এই তিব্বত-ধৰ্মীয় ভাষাৰ সমুদ্ৰৰ মাজৰ একমাত্ৰ দ্বীপটোৱেই হ'ল আৰ্যমূলীয় অসমীয়া ভাষা ।

**54.** ভাৰতীয় সাহিত্য মূলতঃ এক, মাত্ৰ ইয়াক ভিন ভিন ভাষাত লেখা হৈছে ।

(A) ভাৰতবৰ্ষ এখন সাৰ্বভৌম স্বাধীন দেশ । এই দেশ এটি মাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা শাসিত । সেয়েহে, এখন দেশ, এটি চৰকাৰ, একেই আইনকানুন-হিচাপে ইয়াৰ সাহিত্যও এক ।

(B) ভাৰতবৰ্ষ এখন বহুভাষিক দেশ । কিন্তু সাংস্কৃতিকভাবে এই দেশত এক ভাবগত ঐক্য বিৰাজমান । এই ঐক্যৰ সুৰ মাত্ৰ ভিন ভিন ভাষা ৰচিত সাহিত্যৰ দ্বাৰা প্ৰকাশিত হৈছে ।

(C) ভাৰতবৰ্ষত সুকীয়া সুকীয়া ভাষাত সাহিত্য ৰচিত হৈ আহিছে । সেয়ে হলেও পৰসপৰ বিৰোধিতাৰ সুৰ সিবোৰৰ মাজত পোৱা নায়ায়, এই ঐক্যৰ বাবেই ভাৰতীয় সাহিত্য 'এক' বুলি ধৰিব পাৰি ।

(D) 'ভাৰতীয় সাহিত্য' – এই নামেৰে প্ৰাচীনকালৰ পৰাই সংস্কৃত ভাষাত সাহিত্য ৰচিত হৈ আহিছে । ইয়াকে ভিন ভিন ভাষালৈ অনুবাদ কৰি আঞ্চলিক ভাষাৰ সাহিত্যৰ জন্ম দিয়া হৈছে । এই ফালৰ পৰা ভাৰতীয় সাহিত্য বুলি 'এক' ক'ব পাৰি ।

**55.** সত্ৰীয়া নৃত্যৰ অনুশীলনত মাটি আখৰা এক অপৰিহাৰ্য অঙ্গ ।

(A) সত্ৰীয়া নৃত্যৰ নৰ্তকসকলৰ শৰীৰ নমনীয় কৰাত মাটি আখৰাই সজায় কৰে ।

(B) মাটি আখৰাৰদ্বাৰা বৈষ্ণৱ ধৰ্মৰ ঘাই আদৰ্শসমূহ ব্যক্ত কৰিব পাৰি ।

(C) মাটি আখৰত নৃত্য আৰু গীতৰ সমাহাৰ ঘটিছে । সেয়েহে সত্ৰীয় নৃত্যৰ ই এক অপৰিহাৰ্য অঙ্গ ।

(D) মাটি আখৰা শুদ্ধ নাচৰ নিদৰ্শন । সেয়েহে সত্ৰীয়া নাচৰ ই অপৰিহাৰ্য অঙ্গ ।

**56.** আধুনিকতাত সদায়েই মূৰ্ত হয় কিছুমান সহজে চিনাক্ত আৰু অপৰিৱৰ্তিত লক্ষন । কাৰন –

(A) আধুনিকতা নিজেই হ'ল এক অপৰিৱৰ্তিত ধাৰনা । সেয়েহে ইয়াৰ লক্ষনবোৰো অপৰিৱৰ্তিত ।

(B) পৰিৱৰ্তনশীলতা আৰু আধুনিকতা পৰস্পৰ বিপৰীতমুখী ধাৰনা । সেয়েহে সহজে ইয়াক চিনাক্ত কৰিব পৰা যায় ।

(C) আধুনিকতাক ইয়াৰ লক্ষনবোৰৰ দ্বাৰা সহজে চিনাক্ত কৰিব পাৰি কাৰণ এই লক্ষনবোৰ স্থায়ী – অৰ্থাৎ অপৰিৱৰ্তনীয়।

(D) আধুনিকতা এক বিমূৰ্ত ধাৰনা কিন্তু ইয়াৰ লক্ষনবোৰহে সহজে চিনাক্ত কৰিব পৰা ।

**57.** ভাৰতীয় মনৰ বাবে সৌন্দৰ্য আত্মাৰ উপলব্ধি । কাৰন –

(A) ভাৰতীয় মনত সৌন্দৰ্য আৰু আত্মাৰ মাজত ভিন্নতা ৰখা নহয় ।

(B) ভাৰতীয় মনত সৌন্দৰ্যক জনাটোৱেই আত্মাৰ উপলব্ধি ।

(C) আত্মাক জানিবৰ পূৰ্ব-চৰ্ত হ'ল ভাৰতীয় মনত সৌন্দৰ্যক জনাটো ।

(D) আত্মা আৰু সৌন্দৰ্য দুয়োটাই উপলব্ধি কৰিব নোৱাৰা বিষয় ।

**58.** পুন্যশ্লোক শঙ্কৰ স্মৃতি নামঘোষাৰ এটি প্ৰধান বৈশিষ্ট্য ।

(A) নামঘোষাত পুন্যাত্মা শঙ্কৰদেৱৰ স্মৃতিত ভক্তি-অঞ্জলি যচা হৈছে ।

(B) নামঘোষাত শঙ্কৰদেৱৰ ৰচিত পদও সংযোজন কৰা হৈছে ।

(C) নামঘোষা পুথিখনক শ্ৰীশঙ্কৰদেৱে ভূয়সী প্ৰশংসা কৰিছে ।

(D) শঙ্কৰ-মাধৱ অভিন্ন । 'নামঘোষা' পুথিখনো দুয়ো যুগ্ম-প্ৰচেষ্টাৰ ফল ।

**59.** Poetry is communicated before it is understood.

(A) কবিতা প্ৰথমে ভাল-লাগিব লাগিব, পাছতহে ইয়াক বুজিবৰ্লৈ চেষ্টা কৰা হয় ।

(B) কবিতাই ব্যক্তিৰ সৈতে ব্যক্তিৰ সংযোগ ঘটায়, অৰ্থই এই সম্পৰ্ক স্থায়ী কৰে ।

(C) কবিতাৰ অৰ্থ না থাকিলেও ক্ষতি নাই, ভাল-লাগোৱাই ইয়াৰ প্ৰধান উদ্দেশ্য ।

(D) কবিতা জন-সংযোগেৰ প্ৰধান মাধ্যম।

**60.** অনুবাদ হ'ল একপ্ৰকাৰ আনন্দদায়ক পৰিশ্ৰম । এই পৰিশ্ৰমে এক অন্তৰ্নিহিত শক্তিৰদ্বাৰা সংহতিৰ অন্যতম উপাদানৰূপে কাম কৰে । অৰ্থাৎ –

(A) অনুবাদ সৃষ্টিশীল কাৰ্য । সেয়েহে ই আনন্দদায়ক । এনে সৃষ্টিয়ে সামাজিক সংহতি সাধন কৰে ।

(B) সমাজৰ ঐক্য সংহতিৰ স্বাৰ্থত অতি পৰিশ্ৰম কৰি অনুবাদ কৰা হয় ।

(C) পৰিশ্ৰম মানেই আনন্দদায়ক । এই আনন্দৰ উৎস কোনো অদৃষ্ট শক্তি । ই সংহতিৰো বাহক ।

(D) অনুবাদ হ'ল পৰিশ্ৰমসাধ্য কাৰ্য একেসময়তে ই আনন্দৰো উৎস । আনন্দৰ সৈতে অনুবাদে সংহতি সাধনতো অৰিহনা যোগায় ।

**61.** গা বীণ গা অমৃত সঙ্গীত

শুকানে মেলক কুঁহি,

প্ৰবাস ভাগৰ আতঁৰি পলাওক

মুখত ওলাওক হাঁহি ।

(A) বীণৰ সুৰ অতি কোমল আৰু মনপৰশা । বীণৰ সুৰত আনকি শুকান ডালতো কুহিঁপাত ওলায় । প্ৰবাসত বাস কৰা কবিয়ে বীণৰ সুৰ শুনি অতি আনন্দ পায়।

(B) জন্ম স্থানৰ পৰা আঁতৰত বাস কৰা কৰিয়ে বীণৰ সুৰ শুনি আনন্দ পায় । সেয়ে বীণৰ সুৰক অমৃত বুলি কোৱা হৈছে । বীণৰ সুৰত গছত নতুন পাত মেলে ।

(C) মানুহৰ বাবে পাৰ্থিৱ জগতখন প্ৰবাস । অৰ্থাৎ নিজৰ স্থায়ী স্থানৰ পৰা বিচ্ছিন্ন হৈ অস্থায়ীভাবেহে জগতত বাস কৰিবলৈ অহা হৈছে । বীণৰ সুৰে আমাক আমা নিগাজী স্থানৰ বিষয়ে সোঁৱৰাই দিয়ে । সেয়ে বীণৰ সুৰ অমৃত-তুল্য । এই অমৃতৰ পৰশত যেন শুকান গছও পল্লৱিত হৈ উঠে ।

(D) বীণৰ সুৰৰ শক্তি অনেক । সুৰৰ মায়াজাল সৃষ্টি কৰি বীণে শুকান গছত পাত সৃষ্টি কৰে । প্ৰবাসত বীণৰ সুৰ শুনা পালে ভাগৰ পলায় । দুখতো হাঁহি ওলায় ।

62. ‘এইদৰেই দেখা গ’ল যে তাহানিৰ ফুলকোঁৱৰৰ সাধুৰ মালিনীৰ ফুলবাৰীৰ শুকান খৰিয়েও পাতমেলাৰ দৰে পছিমীয়া সাহিত্যৰ সোনকাঠীৰ পৰশত নতুন এক অসমীয়া সাহিত্য পোখা মেলি উঠিল ।’

(A) পুৰনি অসমীয়া সাহিত্যই পাশ্চাত্য চিন্তাৰ স্পৰ্শত নতুন ৰূপ ধাৰন কৰিলে।

(B) অসমীয়া কবিসকলে পছিমীয়া কবিসকলৰ আদৰ্শ গ্ৰহন কৰিলে ।

(C) অসমীয়া সাহিত্যত ফুলকোৱৰৰ সাধুৰ মালিনীৰ ফুলবাৰীয়ে প্ৰবেশ কৰিলে ।

(D) লোক সাহিত্যৰ স্পৰ্শত আধুনিক অসমীয়া সাহিত্যৰ বিকাশ সম্ভৱ হ’ল ।

63. অসমীয়া ভাষাত ব্যাকৰণ সিদ্ধ লিঙ্গ নাই । অৰ্থাৎ –

(A) অসমীয়া ভাষাৰ ব্যাকৰণত লিঙ্গৰ বিষয়ে আলোচনা পোৱা নাযায় ।

(B) লিঙ্গ বিষয়টো ব্যাকৰণৰ বিষয় নহয় ।

(C) লিঙ্গৰ ভিন্নতা অনুযায়ী অসমীয়া ভাষাত ক্ৰিয়াৰ ৰূপ সলনি নহয় ।

(D) অসমীয়া ভাষাত লিঙ্গ ব্যাকৰণে নিৰ্ণয় কৰি নিদিয়ে ।

64. বাৰ হাত জালৰ তেৰ হাত ফটা

ভাল মাৰিলি বাপৰ বেটা

ৰৌ বৰালি সৰকি গ’ল

পুঠি খলিহা পাহে পাহে ৰ’ল ।

(A) পাকৈত মাছমৰীয়াই ফটা জালেৰেও ৰৌ-বৰালি নধৰাকৈ পুঠি-খলিহাৰ দৰে সৰু সৰু মাছ ধৰিব পাৰে ।

(B) বিভিন্ন জাতি গোষ্ঠী অধ্যুষিত অসম ৰাজ্যত পাকৈত মাছমৰীয়াৰ দৰে শঙ্কৰদেৱে সৰ্বসাধাৰণক নিজৰ পন্থলৈ আনিবলৈ সমৰ্থ হৈছিল, অভিজাত-ৰাজন্য শ্ৰেণীৰ লোকক-ইয়াৰ বাহিৰত ৰখা হ’ল ।

(C) শঙ্কৰদেৱে এজন অতি দক্ষ মাছমৰীয়া আছিল । পুঠি-খলিহা তেওঁৰ প্ৰিয় মাছ আছিল । সেয়েহে তেওঁ ভাল নোপেৱো ৰৌ-বৰালি এৰি পুঠি-খলিহাহে জালেৰে ধৰিছিল ।

(D) জাল ফটা হলেও জালোৱাই তকে কৌশলেৰে ঢাকি মাছমাৰিব পাৰে । সেয়েহে তেনে জালোৱাক ইয়াত বাপৰ-বেটা বুলি প্ৰশংসা কৰা হৈছে ।

65. 'দশমৰ পদ্ মইহে কৰিছোঁ, তয়ো কৰিবি ।
এই কথাৰাৰৰ তাৎপৰ্য হ'ল' –

(A) অসমৰ সামাজিক-সাংস্কৃতিক বুৰঞ্জীৰ ইতিহাসত এনে এক সময় আছিল, যেতিয়া দশমস্কন্ধ ভাগৱত আদি সংস্কৃত শাস্ত্ৰ সৰ্বসাধাৰনৰ মুখৰ ভাষালৈ অনুবাদ কৰাটো অপৰাধ বুলি ধৰা হৈছিল । ইয়াত ওপৰৰ কথাৰাৰৰ দ্বাৰা বুজাব খোজা হৈছে অভিযোগ মতে বক্তাই যদিহে অপৰাধ কৰিছে তেনেহলে সেইধৰনৰ অপৰাধ কেৱল বক্তাই কৰা নাই এনে অপৰাধ আনেও কৰিব ।

(B) দশম স্কন্ধৰ ভাগৱতৰ পদ সংস্কৃতৰ পৰা আঞ্চলিক ভাষালৈ অনুবাদ কৰা অতি গৌৰৱৰ কাম । এনে গৌৰৱজনক কাম কৰি বক্তাই গৌৰৱ অৰ্জন কৰিছে আৰু আনকো সেই গৌৰৱৰ কাম কৰিবলৈ উৎসাহিত কৰিছে ।

(C) দশম স্কন্ধৰ ভাগৱতৰ পদ সংস্কৃতৰ পৰা ভাঙনি কৰাটো অৰ্থনৈতিকভাৱে লাভজনক কাম । এই কাম কৰি বক্তা লাভবান হৈছে । বক্তাই সেইবাবেই আনকো এনে লাভজনক কামত হাত দিবলৈ উৎসাহিত কৰিছে ।

(D) অসমীয়া সাহিত্য সমৃদ্ধ কৰিবলৈ হলে সংস্কৃতৰ পৰা সাহিত্য অনুবাদ কৰাটো প্ৰয়োজনীয় । সেই দিশৰ পৰা বক্তাই নিজেই এই কামত হাত দি সাহিত্যৰ ভৰাঁললৈ বৰঙনি আগবঢ়াইছে আৰু আনকো সেই কাৰ্যত হাত দিবলৈ উৎসাহিত কৰিছে ।

তলৰ কথাখিনি মনোযোগেৰে পঢ়া আৰু **66**ৰ পৰা **70**লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো A, B, C আৰু D ৰ মাজৰ পৰা বাছি উলিওৱা ।

সমালোচকৰ চকুৰ আগত সাহিত্য-বিচাৰৰ কাৰণে কি আদৰ্শ থকা উচিত তাক কৈ দিব নোৱাৰি । সকলোকে সমানে গ্ৰহনীয় এটা আদৰ্শও আজিলৈকে স্বীকৃত হোৱা নাই । তথাপি সমালোচকৰ দৃষ্টিভঙ্গী নিৰপেক্ষ আৰু বিষয়গত হ'ব লাগে এই কথা সকলোৱে স্বীকাৰ কৰে । নিৰপেক্ষ দৃষ্টিভঙ্গী গঢ়ি তোলাৰ কাৰণে খোলা মন আৰু ভিন্ ভিন্ যুগৰ আৰু ভিন্ ভিন্ দেশৰ পুথি অধ্যয়নৰ আৱশ্যক । দেশ-বিদেশৰ সাহিত্যৰ জ্ঞানে মন প্ৰশস্ত কৰাত সহায় কৰে । ভাব-প্ৰকাশক সময়তো সমালোচক সচেষ্ট হোৱা উচিত । সামাজিক জীৱন-যাপনত সংযমৰ কেনে আৱশ্যক তাক নকলেও চলে । বাক্-সংযমো এক প্ৰকাৰ সংযম । সৃষ্টিধৰ্মী লেখাতো ইয়াৰ আৱশ্যকতা নুই কৰা নাযায় কিন্তু সমালোচনাত ই অপৰিহাৰ্য্য । কাকতিৰ সমালোচনাৰ মাজত ভাবৰ ধীৰ, গম্ভীৰ পদক্ষেপৰ যি প্ৰতিধ্বনি শুনা যায় তাক আন্তকনে কৰা সমালোচকৰা ধৰ্ম নহয় । সেইদৰে বেজবৰুৱা বিৰিঞ্চি বৰুৱা প্ৰভৃতি আলোচক সকলৰ দৃষ্টিভঙ্গীৰ পিনে পিঠি দিয়াৰ অনাকাঙ্খিত গৌৰৱ সাধাৰণতে সমালোচকে লাভ কৰিব নোৱাৰে । দেশৰ সাহিত্যৰ পৰম্পৰাৰ প্ৰতি আগ্ৰহশীল নহ'লে সমালোচকে আমাৰ সাহিত্যকসকলৰ সামগ্ৰিক আবেদন দক্ষতাৰে পৰিস্ফুট কৰিব নোৱাৰে । খণ্ডিত আলোচনা হয়তো হ'ব কিন্তু লেখকক সম্পুৰ্ণ ৰূপে বুজাৰ কাৰণে

যেনে ধ্বনৰ বিশ্লেষনৰ দৰকাৰ তাৰ বাবে যোগ্যতাৰ অভাৱ যেনে তেনে ৰৈ যাব । দুখৰ বিষয়, এই অভাৱৰ উপলব্ধি আমাৰ সমাজত এতিয়াও হোৱা নাই । পল্লৱ গ্ৰাহিতাই এতিয়াও আমাৰ সমাজৰ আদৰ্শ । এক দুৰ্বল, অদূৰদৰ্শী শিক্ষা পদ্ধতিৰ মাজেদি অহা আমাৰ শিক্ষিত সম্প্ৰদায়ক মাজতো মৌলিকতাৰ আদৰ্শ নাই । এই গতিকে আমাৰ সাহিত্য আৰু সমালোচনা আজিও, বন্ধন-মুক্ত হব পৰা নাই । এদিন পাশ্চাত্য আদৰ্শই আমাৰ মাজলৈ আনিছিল এক নতুন দিকদৰ্শন, প্ৰেৰনা । আজিৰ পাশ্চাত্য প্ৰভাৱ সৰহ ক্ষেত্ৰতে হৈ পৰিছে অনুকৰণ সৰ্বস্ব । অসমত নৱন্যাসৰ পাতনিৰ আলোচনাত আমি পুথিয়ে-পত্ৰই যি কেইটা বৈশিষ্ট্যৰ উল্লেখ পাওঁ, সে কেইটা সম্পুৰ্ণৰূপে ইংৰাজী সাহিত্যৰ পৰা ধাৰ কৰা । আমাৰ দেশত নৱন্যাসিক দৃষ্টিভঙ্গী সমাদৃত হোৱাৰ সামাজিক, ৰাজনৈতিক বা নন্দনতাত্বিক কিবা কাৰন আছে নেকি তাৰ বিচাৰৰ চেষ্টা আমি আজিও কৰা নাই । ইয়াৰ ফলত ৰঘুনাথ চৌধাৰীৰ কাব্য-বিচাৰত আমি ওৱাৰ্ডছওৱাৰ্থ, শ্যেলীৰ কথাকে সুঁৱৰি আছোঁ কিন্তু তেওঁৰ কাব্যৰ ভিতৰত ইউৰোপীয় প্ৰীতিৰ সলনি যে ভাৰতীয় প্ৰীতিৰ নিদৰ্শন পাতে পাতে আছে আৰু তেওঁৰ চিন্তাধাৰাৰ ওপৰত যে ভাৰতীয় সংস্কৃতিৰেই প্ৰভাৱ বেচি তাৰৈ জানো আমি চকু দিছোঁ ? দুৰ্গাৰ কবিতাৰ ওপৰতে ঙাহি থকা নৈৰাশ্যৰ উৎস তেওঁৰ নিজৰ ভাৰতীয় জীৱন নে পাশ্চাত্য কাব্যানুশীলন ? অম্বিকাগিৰী ৰায়চোধুৰীৰ দেশপ্ৰেম আৰু বলিষ্ঠ ভঙ্গীৰ প্ৰকাশ ভাৰতৰ ৰাজনৈতিক পটভূমি নে আন এখন স্বকল্পিত দেশ ? চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘প্ৰতিমা’ত সন্নিবিষ্ট কিছুমান কবিতা পাশ্চাত্য প্ৰভাৱগন্ধী নে ভাৰতীয় পৰম্পৰাৰ বাহক ? এইবোৰ প্ৰশ্ন এতিয়াও আমাৰ পাঠক আৰু সমালোচকৰ মনত জাগি উঠাৰ চিন নাই । এক গতানুগতিক ৰীতিত মাজেদি আমাৰ কবিসকলক বিচাৰ কৰাৰ ফলত তেওঁলোকৰ কবিতাৰ এটা ফাল অন্ধকাৰতে লুকাই থাকে । অসমীয়া সাহিত্যত নৱন্যাস আন্দোলন বিপ্লৱৰ ৰূপত, অহা নাই আৰু সাহিত্যৰ বাহ্যিক গঢ়ৰ পৰিবৰ্তন হ’লেও ভাৰতীয় সংস্কৃতিৰ ভাবাদৰ্শ কবিসকলৰ মনত উজ্জ্বল হৈয়েই আছে । অথচ আমাৰ সাহিত্যৰ বুৰঞ্জী কেইখনতো এনে এটা দৃষ্টিভঙ্গীৰ প্ৰকাশ অস্পষ্ট । পাশ্চাত্য প্ৰভাৱত আধুনিক অসমীয়া সাহিত্যই গঢ় লোৱা বুলি কলে যথেষ্ট নহয় । সেই প্ৰভাৱৰ আঁৰে আঁৰে থকা ভাৰতীয় মনৰ সক্ৰিয় সত্তাটোৰে বিচাৰ হ’ব লাগে । আমাৰ কেইখনমান সাহিত্যৰ বুৰঞ্জী আচলতে সাহিত্যিকৰ বুৰঞ্জীহে । আন কেইখনমান প্ৰধানতঃ পৰিচয়-সৰ্বস্ব । যুগে যুগে নতুন ৰূপত গঢ় লোৱা সাহিত্যৰ মাজেদি বৈ থকা ব্যাপক প্ৰৱাহৰ নিৰূপনৰ সফল চেষ্টা এখনতো পোৱা নাযায় । বুৰঞ্জীৰ সৰল গোটোৱাৰ কামতে ঙাগৰি পৰা সাহিত্যৰ বুৰঞ্জী লেখকসকলৰ ধৈৰ্য্য আৰু অধ্যৱসায়ে সাহিত্য-আলোচনাৰ দুৰ্গম বাটেদি তেওঁলোকক আগুৱাই যাবলৈ উদগনি নিদিলে ।

**66.** সুস্থ সমালোচনাৰ বাবে পুথি-অধ্যয়ন আৱশ্যকীয় গুণ, কাৰণ –

(A) পুথি-অধ্যয়নে অনাবিল আনন্দ প্ৰদান কৰে ।

(B) পুথি-অধ্যয়নে দৃষ্টিভঙ্গী বহুল কৰে ।

(C) পুথি অধ্যয়নৰ মাজেদি ভিন্ ভিন্ দেশৰ বাতৰি পোৱা যায় ।

(D) পুথি অধ্যয়নৰ যোগেদি বেলেগ বেলেগ যুগৰ ধাৰনাসমূহ জানিব পাৰি ।

**67.** দেশৰ সাহিত্যিক পৰম্পৰাৰ প্ৰতি আগ্ৰহশীলতা সমালোচকৰ অন্যতম গুণ, কাৰণ ইয়াৰ অবিহনে –

(A) সমালোচনাৰ মাজত ধীৰ, গম্ভীৰ পদক্ষেপৰ প্ৰতিধ্বনি উপলব্ধি কৰিব পৰা নাযায় ।

(B) সাহিত্যৰ খণ্ডিত আলোচনাহে সম্ভৱপৰ হৈ উঠে ।

(C) পূৰ্বৰ সমালোচক সকলক বুজি উঠাৰ গৌৰৱ অনুভৱ কৰিব পৰা নাযায় ।

(D) দক্ষ ৱিশ্লেষনৰ বাবে প্ৰয়োজনীয় দক্ষতা আহৰন কৰিব পৰা নাযায় ।

**68.** উন্নত মানৰ সমালোচনাৰ বিকাশত তলত দিয়া কোনটো কাৰন অন্তৰায় হৈ দেখা দিয়ে ?

(A) অদূৰদৰ্শী শিক্ষা পদ্ধতি

(B) মৌলিক চিন্তাৰ অভাৱ

(C) পাশ্চাত্যৰ অন্ধ অনুকৰণ

(D) পল্লৱগ্ৰাহিতা

**69.** অসমীয়া কবিতাৰ সঠিক সমালোচনা হৈছে বুলি ক'ৰ নোৱাৰি, কাৰণ –

(A) ইংৰাজী সাহিত্যৰ পৰা ধাৰ কৰা ধাৰনামেহে এই সমালোচনা বৰ্তি আছে ।

(B) কবিসকলৰ কাব্য-বিচাৰত উৱাৰ্ডছওৱাৰ্থ শ্যেলীৰ কথাকে সুঁৱৰি থকা হৈছে

(C) ভাৰতীয় পৰম্পৰাত গুৰুত্ব দিয়া হোৱা নাই

(D) সমালোচনাৰ গতানুগতিক ৰীতি মানি চলা হৈছে

**70.** অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে সাহিত্যৰ প্ৰৱাহিত ৰূপৰ ছবি সংৰক্ষিত কৰা নাই, কিয়নো –

(A) সাহিত্য বুৰঞ্জীৰ লেখক সকলৰ ধৈৰ্যৰ অভাৱ ।

(B) লেখক সকলৰ সাহিত্য আলোচনাৰ প্ৰতি উদ্যমৰ অভাৱ ।

(C) কেইখনমান সাহিত্য বুৰঞ্জী প্ৰধানতঃ পৰিচয় সৰ্বস্ব ।

(D) সাহিত্য বুৰঞ্জীৰ লেখকসকলে সাহিত্যৰ প্ৰকৃত ৰূপ দাঙি চেষ্টা নবাৰে ।

তলৰ কবিতাটো মনোযোগেৰে পঢ়া আৰু তাৰ তলত **71**ৰ পৰা **75**লৈ দিয়া প্ৰশ্নকেইটাৰ সঠিক উত্তৰটো A, B, C আৰু Dৰ মাজৰ পৰা বাছি উলিওৱা ।

ইয়াৰপৰাই পানী
ইপাৰ সিপাৰ নমনি

তুমি হাত মেলিলেই কলাপাতখন
লৰে কি চৰে
চুলি মেলিলেই বৰষুনজাক
গাত আহি পৰে
বুকুৰ মাজতে মোৰ কিবা
গুটি এটা গজে
মানুহে খাই পাহৰি পেলোৱা
নোখোৱা এটি গুটি

চৰাই এটা উৰি আহে
ঠোঁটত লৈ এডাল দুবৰি
নে গুটিমালিৰ এডাল মালা

ক'তো যেন এতিয়া কোনো মৰা নাই
কোনো শিশু
কোন বৃদ্ধ

ইয়াৰপৰাই বেলি
বুৰ যোৱা দেখি
ইয়াৰপৰাই জোন ওলোৱা দেখি

দুৱাৰ মেলিলেই দেখি
নিত্য আবৰ্তিত
এখন প্ৰেমৰ পৃথিৱী

দ'পৰ্বতীয়াৰ সেই ছোৱালী দুজনী
হাতৰ মুদ্ৰা আৱাহনী

ইয়াৰ পৰাই পানী
তোমাৰ ভৰিৰ পতাৰ পৰাই পানী

ইপাৰ সিপাৰ নমনি

**71.** "তুমি হাত মেলিলেই কলাপাতখন লৰে কি চৰে"
এই বাক্যাংশ তলৰ কোন শ্ৰেণীৰ মৌখিক সাহিত্যৰ পৰা লোৱা হৈছে ?
(A) লোকগীত (B) সাধুকথা
(C) সাঁথৰ (D) মালিতা

**72.** ইয়াত উদ্ধৃত কবিতাটিৰ কবিৰ নাম –
(A) হৰেকৃষ্ণ ডেকা
(B) নিৰ্মলপ্ৰভা বৰদলৈ
(C) নীলমণি ফুকন
(D) হৰি বৰকাকেতী

**73.** কবিতাটোত থকা দ'পৰ্বতীয়াৰ সেই ছোৱালী দুজনী কোন ?
(A) দুজনী গাঁৱৰ গাভৰু
(B) দুজনী পৰ্বতীয়া গাভৰু
(C) উষা আৰু চিত্ৰলেখাৰ চিত্ৰ
(D) গঙ্গা আৰু যমুনাৰ ভাস্কৰ্য

**74.** 'নিত্য আৱৰ্তিত' এখন প্ৰেমৰ পৃথিৱী'ত বুজোৱা হৈছে যে –
(A) পৃথিৱীখন বেদনাৰে ভৰা
(B) পৃথিৱীখন প্ৰেমেৰে ভৰা
(C) প্ৰেম স্থিৰ, কিন্তু পৃথিৱী পৰিৱৰ্তনশীল
(D) পৃথিৱী স্থিৰ, কিন্তু প্ৰেম পৰিৱৰ্তনশীল

**75.** কবিতাটোৰ শ্ৰেণী নিৰ্ণয় কৰা ।
(A) শোকৰ কবিতা
(B) প্ৰেমৰ কবিতা
(C) প্ৰতিবাদী কবিতা
(D) প্ৰগতিবাদী কবিতা

**Space For Rough Work**